**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি ২০২৬-২৭ বৰ্ষৰ অন্তৰ্ৱৰ্তী লেখানুদান উত্থাপন।

২। গুৱাহাটীৰ নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ৰ ২০২৭ বৰ্ষৰ বাবে অগ্নিবীৰ নিযুক্তিৰ অৰ্থে অনলাইন আবেদনৰ আহ্বান।

৩। কাৰ্বি আংলং জিলাৰ তাৰালাংছ’ত পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ।

আৰু

৪। হাটশিঙিমাৰীত আৰক্ষীৰ অভিযানত নিষিদ্ধ কফচিৰাপসহ এজন লোকক গ্ৰেপ্তাৰ।

০০০০০০০০০

চাৰিদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা দিছপুৰত অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি কিছু সময়ৰ পাছত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্ৱৰ্তী লেখানুদান উত্থাপন কৰা হ’ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ’ব। আজি প্ৰশ্নোত্তৰ শিতানেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। সদনত আজি কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ’ব। ইয়াৰ লগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হ’ব। এই আলোচনাত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে অংশ ল’ব।

উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে কালি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ’ব। এই উপলক্ষে ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল’ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ’ব।

০০০০০০০০০

রাজ্য চৰকাৰে ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ অংশ হিচাপে ডিমাচা ভাষাক নৱম আৰু দশম শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে প্ৰৱৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ডিমাচা ভাষাৰ স্বকীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাধ্যমিক পৰ্যায়ত ইয়াক শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছে। ২০২৬-২৭ শিক্ষা বৰ্ষৰ পৰা নৱম শ্ৰেণী আৰু ২০২৭-২৮ বৰ্ষৰ পৰা দশম শ্ৰেণীত ভাষাটোক ঐচ্ছিক ভাষা হিচাপে প্ৰৱৰ্তন কৰা হ'ব। আধুনিক ভাৰতীয় ভাষাৰ বিকল্প হিচাপে ভাষাটোৰ শিক্ষাদান কৰা হ'ব।

000000000

গুৱাহাটীৰ নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ে ২০২৭ বৰ্ষৰ বাবে অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ নিযুক্তিৰ বাবে অবিবাহিত পুৰুষ প্ৰাৰ্থীৰ পৰা অনলাইন আবেদন আহ্বান কৰিছে। নামনি আৰু পশ্চিম অসমৰ যোগ্য পুৰুষ প্ৰাৰ্থীয়ে চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীৰ পৰা ১ এপ্ৰিলৰ ভিতৰত অনলাইন আবেদন কৰিব পাৰিব। নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ে সামৰি লোৱা বৰপেটা, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাওঁ, চিৰাং, গোৱালপাৰা, কামৰূপ, কামৰূপ (মহানগৰ), বাক্সা, নলবাৰী, ওদালগুৰি, দৰং, বজালী, তামুলপুৰ আৰু দক্ষিণ শালমাৰা মানকাছৰৰ যোগ্য প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে WWW.Joinindianarmy.nic.in ৱেব চাইদত আবেদন কৰিব পাৰিব।

000000000

কাৰ্বি জনগোষ্ঠীৰ কলাকৃষ্টিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে কালিৰেপৰা কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। অহা ১৯ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই মহোৎসৱৰ সৰ্বাংগীন সফলতা কামনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে কাৰ্বি কালচাৰেল ছ'চাইটিৰ ৩৪ টা মণ্ডলৰ চহা শিল্পীসকলে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি আগবঢ়োৱা মনোমোহা সাংস্কৃতিক শোভাযাত্ৰাই আমাৰ ঐতিহ্য, একতা আৰু সংস্কৃতিৰ উজ্জ্বল পৰিচয় দিছে।

উল্লেখযোগ্য যে কাৰ্বি লোকনৃত্য, গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। আৰম্ভণিতে চাৰি সহস্ৰাধিক শিল্পীৰ অংশগ্ৰহণেৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মহোৎসৱত হাংগেৰী আৰু টাইৱানৰ ৰাষ্ট্ৰদূত দুগৰাকীয়ে অংশ লৈছে। কেৰালা আৰু অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক গৱেষকৰ এটা দলেও এই মহোৎসৱত ভাগ লৈছে।

এইবাৰ কাৰ্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাচাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাণ্ডলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ লৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

00000000

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীৰ শান্তিপুৰত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ কফচিৰাপসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে অঞ্চলটোত তালাচী চলাই থকাৰ সময়তে বেপাৰীপাৰা ফেৰীঘাটৰ পৰা মানকাচৰ অভিমুখী এখন মটৰ চাইকেলৰপৰা ১৫০ বটল কফচিৰাপ জব্দ কৰে। আৰক্ষীয়ে লোকজনক গ্ৰেপ্তাৰ কৰি সোধা-পোছা কৰি আছে।

0000000

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। বিজেপিয়ে চলিত মাহতে মিত্ৰতা আৰু প্ৰাৰ্থী সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে কাইলৈ কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও কাইলৈ অসম ভ্ৰমণ কৰিব। ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। ইপিনে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ৰাজনৈতিক দলৰ নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত আছে। কালি নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা কৰাৰ বাবে কংগ্ৰেছে এখন বৈঠকৰ আয়োজন কৰে।

অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত জিলাখনৰ গড়মূৰৰ বংশী গোপাল নাট্য মন্দিৰত কালি দলটোৰ বুথ সন্মিলন অনুষ্ঠিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই এই সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অগপৰ মাজুলী বিধান সভা সমষ্টি সমিতিৰ সভাপতি ব্ৰজেন গামৰ লগতে দলটোৰ কেইবাগৰাকীও কেন্দ্ৰীয় বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত কাইলৈ হ'বলগীয়া বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। দলটোৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লৈ শ্ৰীসোণোৱালে দলীয় কৰ্মকৰ্তাসকলক উৎসাহিত কৰে। সভাস্থলী পৰিদৰ্শন কৰাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগত বিজেপিৰ অসম ৰাজ্যিকৰ প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক কমিটীৰ সম্পাদক ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাজনো ৰাজ্যিক নেতা উপস্থিত থাকে।

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হৈছে। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰিছে।

দলটোৱে মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ সামগ্ৰিক প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব। দলটোৱে লগতে ৰাজ্যৰ আৰক্ষী মহাপৰিদৰ্শক, ক্ষেত্ৰীয় আৰক্ষী উপ মহাপৰিদৰ্শক, জিলা নিৰ্বাচন বিষয়া তথা দণ্ডাধীশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সৈতেও ভোটগ্ৰহণৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব।

0000000

০০০০০০০

**সমাপ্ত**লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ঢাকাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে বিএনপিৰ অধ্যক্ষ তাৰিক ৰহমানৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীও শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। চুবুৰীয়া দেশখনৰ শেহতীয়া সংসদীয় নিৰ্বাচনত বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ নেতৃত্বত গঠিত মিত্ৰজোঁটে জয়লাভ কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে, এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত ওম বিৰলাৰ অংশগ্ৰহণে ভাৰত আৰু বাংলাদেশৰ জনসাধাৰণৰ মাজত গভীৰ আৰু চিৰস্থায়ী বন্ধুত্বক আলোকপাত কৰিছে আৰু দুয়োখন ৰাষ্ট্ৰক বান্ধি ৰখা গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি ভাৰতৰ অটল দায়বদ্ধতাক পুনৰ দৃঢ় কৰি তুলিছে। বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰে ভাৰত, চীন, চৌদি আৰব, মালয়েছিয়া, শ্ৰীলংকাকে ধৰি ১৩খন দেশৰ চৰকাৰৰ প্ৰতিনিধিক শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে। বাংলাদেশৰ জাতীয় সংসদ ভৱনত আজি নৱনিৰ্বাচিত সাংসদ সকলেও শপত গ্ৰহণ কৰিব। উল্লেখযোগ্য যে শেহতীয়া সংসদীয় নিৰ্বাচনত বিএনপি নেতৃত্বাধীন মিত্ৰজোঁটে ২১২খন আসন লাভ কৰাৰ বিপৰীতে জামাত-ই-ইছলামী নেতৃত্বাধীন মিত্ৰজোঁটে ৭৭খন আসন লাভ কৰিছিল।

০০০০০০০

**সমাপ্ত**